**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-07-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ অধীনত বৰ্তমানলৈ দেশৰ প্ৰায় দুই কোটি ২৮ লাখ কাৰুশিল্পীয়ে নাম অন্তৰ্ভুক্ত কৰিছে।

২। কেন্দ্ৰীয় চৰকাৰে কৈছে যে যোৱা ৫ বছৰত জল জীৱন মিছন-হ'ৰ ঘৰ জলৰ অধীনত দেশৰ গ্ৰামাঞ্চলৰ প্ৰায় এঘাৰ কোটি ৭৫ লাখ গৃহলৈ নলযোগে পানী সংযোগ প্ৰদান কৰা হৈছে।

৩। সংসদৰ বাজেট অধিবেশনৰ প্ৰথম দিনটোত ৰাজ্যসভাৰ কাৰ্যকাল দিনটোৰ বাবে স্থগিত ৰখা হৈছে।

৪। লোকসভাই আজি আসন্ন অলিম্পিক ক্ৰীড়া মহোৎসৱৰ বাবে ভাৰতৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰে।

*আৰু*

৫। শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত কাইলৈ নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ অধীনত বৰ্তমানলৈ দেশৰ প্ৰায় দুই কোটি ২৮ লাখ কাৰুশিল্পীয়ে নাম অন্তৰ্ভুক্ত কৰিছে। ইয়াৰে ১৩ লাখ ৯৪ হাজাৰ হিতাধিকাৰীৰ নাম সফলতাৰে পঞ্জীয়ন কৰা হৈছে আৰু এইসকলৰ ভিতৰত পাঁচ লাখ ৪২ হাজাৰৰো অধিক মহিলা কাৰুশিল্পী। দক্ষতা বিকাশ আৰু উদ্যমিতা কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে লোকসভাত এটি লিখিত প্ৰশ্নৰ উত্তৰত কয় যে, দেশত মুঠ পাঁচ লাখ তিনি হাজাৰ ১৬১ গৰাকী আবেদনকাৰীক প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰে দুই লাখ ৭৪ হাজাৰ ৭০৩ গৰাকী মহিলা। তেওঁ লগতে কয় যে, কৰ্ণাটকৰ পৰা সৰ্বাধিক সংখ্যক আবেদনকাৰীয়ে পঞ্জীয়ন কৰিছে। কৰ্ণাটকৰ এক লাখ ৯ হাজাৰ প্ৰাৰ্থীয়ে মৌলিক দক্ষতা প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ লাভ কৰাৰ বিপৰীতে জম্মু-কাশ্মীৰৰ ৮১ হাজাৰ আৰু গুজৰাটৰ ৭৯ হাজাৰ প্ৰাৰ্থীয়ে প্ৰমাণপত্ৰ লাভ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আৰু গুজৰাটত সৰ্বাধিক ৮৫ হাজাৰৰো অধিক মহিলাই মৌলিক দক্ষতা প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ লাভ কৰিছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ছেপ্তেম্বৰ মাহত ১৮টা কৰ্মৰ সৈতে জড়িত কাৰু আৰু হস্তশিল্পীসকলক সহযোগিতা প্ৰদান কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনি মুকলি কৰিছিল।

ooooo

কেন্দ্ৰীয় চৰকাৰে কৈছে যে যোৱা ৫ বছৰত জল জীৱন মিছন-হ'ৰ ঘৰ জলৰ অধীনত দেশৰ গ্ৰামাঞ্চলৰ প্ৰায় এঘাৰ কোটি ৭৫ লাখ গৃহলৈ নলযোগে পানী সংযোগ প্ৰদান কৰা হৈছে। আজি ৰাজ্যসভাত জলশক্তি মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ভি চোমান্নাই এটা লিখিত উত্তৰত এইকথা প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে, ২০১৯ চনৰ আগষ্ট মাহত জলজীৱন অভিযান মুকলি হোৱাৰ সময়ত দেশত গ্ৰামাঞ্চলৰ মাথো ৩ কোটি ২৩ লাখ গৃহতহে নলযোগে পানী সংযোগৰ ব্যৱস্থা আছিল কিন্তু বৰ্তমান ৭৭ শতাংশকৈও অধিক গৃহত পানীৰ সংযোগ উপলব্ধ হৈছে। এই সংযোগসমূহৰ জৰিয়তে প্ৰতিজন ব্যক্তিৰ বাবে দৈনিক ৫৫ লিটাৰৰ মানবিশিষ্ট পানীৰ যোগান ধৰা হৈছে।

আনহাতে, আন এটা প্ৰশ্নৰ লিখিত উত্তৰত অসামৰিক পৰিবহন মন্ত্ৰী কিঞ্জাৰপু ৰামমোহন নাইডুয়ে দেশৰ অসামৰিক পৰিবহন ক্ষেত্ৰত প্ৰশিক্ষণপ্ৰাপ্ত অভিযন্তা আৰু আধুনিক সা-সজুলীৰ কোনো ধৰণৰ অভাৱ নোহোৱাৰ নিশ্চয়তা প্ৰদান কৰে। ২০২২ চনৰ পৰা বৰ্তমানলৈকে কাৰিকৰী বিজুতিৰ বাবে মুঠ ১৪ টা জৰুৰীকালীন বিমান অৱতৰণৰ ঘটনা হৈছে বুলিও শ্ৰীনাইডুয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ে বুনিয়াদী তত্বাৱধান প্ৰশিক্ষণ প্ৰদানৰ বাবে ৫৭ টা বিমান পৰিচালনা অভিযান্ত্ৰিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত অনুমোদন জনাইছে।

০০০০০

২০২৩-২৪ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাত চলিত বিত্তীয় বৰ্ষৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ ৬ দশমিক ৫ শতাংশৰ পৰা ৭ শতাংশ ধাৰ্য কৰা হৈছে। সংসদৰ বাজেট অধিৱেশনৰ আজি প্ৰথম দিনা লোকসভাত অৰ্থনৈতিক সমীক্ষা দাখিল কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই তথ্য প্ৰকাশ কৰে। সমীক্ষাত প্ৰকাশ পোৱা মতে গোলকীয় অৰ্থনীতিৰ ক্ষেত্ৰখনৰ অনিশ্চয়তা সত্বেও ২০২৩-২৪ বিত্তীয় বৰ্ষত ঘৰুৱা উৎপাদনত অৰ্থনৈতিক বিকাশ সম্ভৱপৰ হৈ উঠিছে। চলিত বিত্তীয় বৰ্ষত সেৱা খণ্ডই মুঠ অৰ্থনৈতিক বিকাশৰ ৫৫ শতাংশৰ অংশীদাৰ হৈ পুনৰবাৰ দেশৰ প্ৰগতিৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়াইছে।

অৰ্থনৈতিক সমীক্ষা সন্দৰ্ভত চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ড০ ভি অনন্ত নাগেশ্বৰণে এখন সংবাদমেলক সম্বোধন কৰি কয় যে, দেশৰ অৰ্থনৈতিক বিকাশে এটা উল্লেখযোগ্য গতি লাভ কৰিছে। অহাটো বিত্তীয় বৰ্ষত কৃষিখণ্ডই উন্নত প্ৰদৰ্শন আগবঢ়োৱাৰ সম্ভাৱনা আছে বুলিও তেওঁ লগতে মন্তব্য কৰে। দেশৰ ক্ৰমবৰ্ধমান কৰ্মশক্তিক সংস্থাপিত কৰিবলৈ ভাৰতীয় অৰ্থনীতিয়ে ২০৩০ চনলৈকে কৃষিখণ্ডৰ বাহিৰত বছৰি প্ৰায় ৭৯ লাখ নিযুক্তি প্ৰদান কৰাটো প্ৰয়োজন বুলিও ড০ নাগেশ্বৰণে প্ৰকাশ কৰে।

০০০০০

সংসদৰ বাজেট অধিবেশনৰ প্ৰথম দিনটোত ৰাজ্যসভাৰ কাৰ্যকাল দিনটোৰ বাবে স্থগিত ৰখা হৈছে। কাইলৈ বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ দ্বাৰা লোকসভাত সাধাৰণ বাজেট দাখিলৰ সমাপ্তিৰ পাছতে পুনৰ ৰাজ্যসভাৰ কাম কাজ আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে উচ্চ সদনত কেইবাগৰাকীও সদস্যই ৰাজহুৱা বিষয়সমূহ উত্থাপন কৰাৰ সময়ত ৰাজ্যসভাৰ কাম-কাজ স্থগিত ৰখা হয়। বাজেট অধিবেশন আৰম্ভ হোৱাৰ পূৰ্বে ৰাজ্যসভাৰ অধ্যক্ষ জগদীপ ধনখড়ে সদস্যসকলক সদনৰ নীতি-নিয়মসমূহ ৰক্ষা কৰাৰ লগতে শক্তিশালী সংসদীয় বক্তৃতাৰ পৰিবেশ গঢ়ি তুলিবলৈ আহ্বান জনায়। শ্ৰীধনখড়ে সাংসদসকলক জনসাধাৰণৰ মংগলৰ বাবে কাম কৰি যাবলৈও আহ্বান জনায়।

০০০০০

লোকসভাই আজি আসন্ন অলিম্পিক ক্ৰীড়া মহোৎসৱৰ বাবে ভাৰতৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰে। আলোচনাৰ আৰম্ভণি কৰি বিজেপিৰ ড০ সঞ্জয় জয়ছোৱালে কয় যে, নৰেন্দ্ৰ মোদী চৰকাৰে দেশত ক্ৰীড়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কেইবাটাও উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। এন ডি এ চৰকাৰৰ অধীনত বাজেটত ক্ৰীড়া ক্ষেত্ৰৰ বাবে ২০১৪ চনৰ এহেজাৰ ২১৯ কোটি টকাৰ পৰা বৃদ্ধি হৈ বৰ্তমান ৩ হেজাৰ ৩৯৭ কোটি টকা হৈছে বুলিও শ্ৰীজয়ছোৱালে প্ৰকাশ কৰে। অহা ২৬ জুলাইৰ পৰা পেৰিছত হ'বলগীয়া অলিম্পিক ক্ৰীড়াৰ ১৬ টা শিতানত প্ৰতিদ্বন্দিতা আগবঢ়াবলগীয়া দেশৰ এথলীট সকলৰ ওপৰত চৰকাৰে প্ৰায় ৪৭০ কোটি টকা ব্যয় কৰিছে বুলিও তেওঁ উল্লেখ কৰে। ভাৰতীয় পুৰুষ হকী দলটোৰ প্ৰস্তুতিৰ বাবে প্ৰায় ৪২ কোটি টকা ধাৰ্য্য কৰা হৈছিল বুলিও মন্ত্ৰীগৰাকীয়ে

লগতে কয়। অলিম্পিকত উন্নত প্ৰদৰ্শনৰ বলত পদক জয়ৰ বাবে চৰকাৰে এথলীটসকলক সকলো ধৰণৰ প্ৰশিক্ষণ আৰু সুবিধা প্ৰদান কৰিছে বুলিও শ্ৰীজয়ছোৱালে মন্তব্য কৰে।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত বৈঠকত মিলিত হয়। বন্যাৰ্তসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাৰ বিষয়েও তেওঁ প্ৰধানমন্ত্ৰীগৰাকীক অৱগত কৰে। তদুপৰি সাক্ষাতকালত ৰাজ্যত চলি থকা উন্নয়নমূলক কামসমূহৰ স্থিতিৰ বিষয়েও আলোচনা কৰা হয়। অসমৰ জনসাধাৰণৰ হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক তৃতীয় কাৰ্যকালৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

ooooo

বিগত কেইটামান বছৰত দেশত নিবনুৱাৰ হাৰ উল্লেখনীয়ভাৱে হ্ৰাস পাইছে বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যমন্ত্ৰী শোভা কৰন্দলাজে আজি লোকসভাত প্ৰকাশ কৰে। তেওঁ কয় যে শেহতীয়া বাৰ্ষিক শ্ৰম জৰীপ প্ৰতিবেদন অনুসৰি ২০২০-২১ বৰ্ষত ১৫ বছৰৰ উৰ্ধৰ লোকৰ ক্ষেত্ৰত নিবনুৱাৰ হাৰ ৪ দশমিক ২ শতাংশৰ পৰা ২০২২-২৩ বৰ্ষত ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে। এই প্ৰতিবেদন অনুসৰি নিয়মীয়াকৈ দৰমহা লাভ কৰি থকা কৰ্মচাৰীসকলৰ শেহতীয়া সাপ্তাহিক স্থিতি অনুসৰি ২০২৩ চনৰ এপ্ৰিলৰ পৰা জুনলৈকে দৰমহা ২০ হাজাৰ টকাৰো অধিক হৈছেগৈ। ২০১৮ চনৰ একেই সময়ছোৱাত এই দৰমহা ১৬ হাজাৰ ৮৪৮ টকা আছিল বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

আকাশবাণী জগদলপুৰে আজিৰে পৰা ইয়াৰ মুঠ অনুষ্ঠানসমূহৰ ৫০ শতাংশ হলবী, গোন্দি, ভত্ৰি আৰু ধুৰবী উপভাষাত সম্প্ৰচাৰ কৰিছে। আঞ্চলিক সংস্কৃতি আৰু উপভাষাসমূহৰ প্ৰসাৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে কেন্দ্ৰটোৱে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

ooooo

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত কাইলৈ নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় মহিলা দলটোৱে এতিয়ালৈকে ৪ পইণ্ট লাভ কৰি প্ৰতিযোগিতাৰ এ গ্ৰুপত আগবাঢ়ি আছে। প্ৰতিযোগিতাত আজিৰ দিনটোৰ প্ৰথমখন খেলত শ্ৰীলংকাই মালয়েছিয়াক ১৪৪ ৰাণত পৰাজিত কৰে। টছত জিকি শ্ৰীলংকাই প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেট হেৰুৱাই ১৮৪ ৰাণ সংগ্ৰহ কৰে। শ্ৰীলংকাৰ কেপ্তেইন ছমাৰি আটাপাট্টুয়ে ৬৯ টা বলত ১১৯ ৰাণ কৰি অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত মালয়েচিয়াৰ দলটোৱে ১৯ অভাৰ আৰু ৫ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৪০ ৰাণহে কৰিবলৈ সমৰ্থ হয়। আন এখন খেলত কিছুসময়ৰ পূৰ্বে বাংলাদেশ-থাইলেণ্ডৰ বিপক্ষে অৱতীৰ্ণ হৈছে। থাইলেণ্ডে টছত জিকি বেট ধৰাৰ সিদ্ধান্ত লৈছে।

ooooo

সমাপ্ত